**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***Headlines***

০০০

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ভাৰত-আলজেৰিয়াৰ মাজৰ সম্পৰ্ক শক্তিশালী আৰু সম্প্ৰসাৰণ কৰাৰ উদ্দেশ্যে দেশখনৰ নেতৃবৰ্গৰ সৈতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

২। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ শক্তিকান্ত দাসে কৈছে যে ভাৰতে বিশ্বমানৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি গঢ়ি তোলাৰ ফলত উচ্চমানৰ ডিজিটেল বিত্তীয় সামগ্ৰী বিকাশত সুবিধা হৈছে।

৩। সেনাবাহিনীৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিৱেদীয়ে ভাৰত আৰু জাপানৰ মাজৰ প্ৰতিৰক্ষা সহযোগিতা বৃদ্ধি কৰাৰ উদ্দেশ্যে চাৰিদিনীয়া ভ্ৰমণসূচী লৈ জাপানলৈ ৰাওনা হৈছে।

*আৰু*

৪। মুম্বাইৰ পৰা নিউয়ৰ্ক অভিমুখী এয়াৰ ইণ্ডিয়াৰ এখন বিমান আজি পুৱা বোমা বিস্ফোৰণৰ ভাবুকিৰ বাবে দিল্লীলৈ ঘূৰাই অনা হয়।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ভাৰত-আলজেৰিয়াৰ মাজৰ সম্পৰ্ক শক্তিশালী আৰু সম্প্ৰসাৰণ কৰাৰ উদ্দেশ্যে দেশখনৰ নেতৃবৰ্গৰ সৈতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ লগতে আলজেৰিয়ান-ভাৰত অৰ্থনৈতিক সন্মিলনতো অংশগ্ৰহণ কৰিব। শ্ৰীমতী মুৰ্মু কালি আলজিয়াৰ্ছ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হোৱাৰ পাছত দেশখনৰ ৰাষ্ট্ৰপতি আব্দেলমজিদ টেবুনে তেওঁক আনুষ্ঠানিকভাৱে আদৰণি জনায়। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতিগৰাকীয়ে আলজেৰিয়া, মৰিটেনিয়া আৰু মালৱিৰ ত্ৰিদেশীয় ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত যোৱা নিশা আলজেৰিয়াৰ ৰাজধানী আলজিয়াৰ্ছত উপস্থিত হয়। ৰাষ্ট্ৰপতিগৰাকীয়ে পাছত এটা সমূহীয়া অৰ্ভ্যথনা অনুষ্ঠানত অংশগ্ৰহণ কৰি আলজেৰিয়াত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলৰ প্ৰচেষ্টাৰ শলাগ লয় আৰু দুয়ো দেশৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে ভাল কামসমূহ অব্যাহত ৰাখিবলৈ আহ্বান জনায়।

ৰাষ্ট্ৰপতিয়ে মুৰ্মুৱে আজি আলজেৰিয়াৰ স্বাধীনতা সংগ্ৰামৰ শ্বহীদসকলৰ মেগাম ইছাহিদ পৰিদৰ্শন কৰিব। তেওঁ লগতে মুজাহিদ সংগ্ৰহালয়ো পৰিদৰ্শন কৰিব। শ্ৰীমতী মুৰ্মুৱে দেশখনৰ ৰাষ্ট্ৰপতি মজিদৰ লগতে শীৰ্ষ পৰ্যায়ৰ অন্য প্ৰতিনিধিসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। আজি তেওঁ দেশখনত বাসকৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলকো সম্বোধন কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ৰাষ্ট্ৰপতি মুৰ্মু ১৬ অক্টোবৰত ম'ৰিটেনিয়াত উপস্থিত হ'ব আৰু অন্তিম পৰ্যায়ত ১৭ৰ পৰা ১৯ অক্টোবৰলৈ ম'লাৱিত ভ্ৰমণ কৰিব। দেশ কেইখনৰ ভ্ৰমণ কালত ৰাষ্ট্ৰপতিগৰাকীয়ে কেইবাখনো দ্বিপাক্ষিত আলোচনাত মিলিত হ'ব আৰু

আগশাৰীৰ উদ্যোপতি আৰু ব্যৱসায়সকলৰ সৈতে মত বিনিময় কৰিব। তেওঁ লগতে দেশ কেইখনত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলৰ সৈতেও কথোপকথনত মিলিত হ'ব।

০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ শক্তিকান্ত দাসে কৈছে যে ভাৰতে বিশ্বমানৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি গঢ়ি তোলাৰ ফলত উচ্চমানৰ ডিজিটেল বিত্তীয় সামগ্ৰী বিকাশত সুবিধা হৈছে। তেওঁ কয় যে দেশখনত এতিয়া বিশ্বৰ তৃতীয় ষ্টাৰ্টআপ পৰিৱেশতন্ত্ৰ আছে য'ত ১ লাখ ৪০ হাজাৰৰো অধিক ষ্টাৰ্টআপ আৰু ১০০ৰো অধিক ইউনিকৰ্ণ আছে।

নতুন দিল্লীত আজি RBI AT 90 শীৰ্ষক এখন উচ্চস্তৰীয় সন্মিলনত ভাষণ দি শ্ৰীদাসে কয় যে ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ ক্ষেত্ৰত ভাৰতৰ অভিজ্ঞতাসমূহৰ দ্বাৰা অইন দেশসমূহ লাভবান হৈ গোলকীয়ভাৱে ডিজিটেল বিপ্লৱৰ সূচনা কৰিব পাৰে। ডিজিটেল মুদ্ৰা অৰ্থাৎ CBDCৰ ব্যৱহাৰৰ সন্দৰ্ভত আৰ বি আইৰ গৱৰ্ণৰগৰাকীয়ে কয় যে কেন্দ্ৰীয় বেংকৰ ডিজিটেল মুদ্ৰাই দক্ষ পেমেণ্টৰ সুবিধা প্ৰদান কৰাৰ সম্ভাৱনা আছে। পাইকাৰী আৰু খুচুৰা দুয়োটা খণ্ডতে CBDC আৰম্ভ কৰা কেইখনমান দেশৰ ভিতৰত ভাৰত অন্যতম বুলিও শ্ৰীদাসে জানিবলৈ দিয়ে। বিত্তীয় খণ্ডত কৃত্ৰিম বুদ্ধিমত্তা আৰু মেচিন লাৰ্ণিঙে সৃষ্টি কৰা প্ৰত্যাহ্বানসমূহ সন্দৰ্ভত শ্ৰীদাসে কয় যে কৃত্ৰিম বুদ্ধিমত্তাই চাইবাৰ আক্ৰমণ আৰু তথ্য ভংগৰ দিশত বৰ্ধিত সংবেদনশীলতাৰ নিচিনা নতুন প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। তেওঁ বেংক আৰু অন্যান্য প্ৰতিষ্ঠানসমূহ এই বিপদসমূহৰ বিৰুদ্ধে পৰ্যাপ্ত বিপদ প্ৰশমনৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কয়।

আৰ বি আইৰ গৱৰ্ণৰগৰাকীয়ে বৃদ্ধি পোৱা ঋণক লৈ উদ্বেগ প্ৰকাশ কৰি কয় যে মহামাৰীৰ পাছত বিশ্বৰ ৰাজহুৱা ঋণ ২০২৩ চনত মুঠ ঘৰুৱা উৎপাদনৰ ৯০ দশমিক ২ শতাংশলৈ বৃদ্ধি পাইছে আৰু ২০২৯ চনৰ ভিতৰত ই ১০০ শতাংশলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

০০০

জম্মু কাশ্মীৰত চৰকাৰে দুয়োগৰাকী সংমণ্ডলীয় আয়ুক্তকে ধৰি ২০গৰাকী আয়ুক্তক নিজৰ নিজৰ অধীনৰ অঞ্চলসমূহৰ মন্দিৰৰ ভূমিৰ সীমা নিৰ্দ্ধাৰণ আৰু বেদখল আঁতৰোৱা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিছে। জম্মু-কাশ্মীৰৰ মুখ্য সচিবে অলপতে জম্মু-কাশ্মীৰ আৰু লাডাখ উচ্চ ন্যায়ালয়ৰ দ্বাৰা দিয়া এটা নিৰ্দেশত কেন্দ্ৰীয় শাসিত প্ৰদেশৰ মন্দিৰসমূহৰ বৰ্তমানৰ অৱস্থাৰ বিতং তথ্য জনাবলৈ নিৰ্দেশ দিছিল। উল্লেখযোগ্য যে এই নিৰ্দেশৰ পাছত কেন্দ্ৰীয় শাসিত অঞ্চলত মন্দিৰ পুনৰুদ্ধাৰ সন্দৰ্ভত মুখ্য সচিবগৰাকী আলোচনাত মিলিত হয় আৰু মন্দিৰৰ চোৰাচিতা আৰু ভূমিৰ সীমা নিৰ্দ্ধাৰণৰ বাবে এখন সমিতি গঠন কৰাৰ বিষয়টো সোঁৱৰাই দিয়ে। মুখ্য সচিবগৰাকীয়ে সাংস্কৃতিক বিভাগক মন্দিৰসমূহৰ বৰ্তমানৰ অৱস্থাৰ বিষয়ে আয়ুক্তৰ পৰা বিতং তথ্য সংগ্ৰহ কৰি সাংস্কৃতিক বিভাগৰ ৱেবছাইটত আপলোড কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০

সেনাবাহিনীৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিৱেদীয়ে ভাৰত আৰু জাপানৰ মাজৰ প্ৰতিৰক্ষা সহযোগিতা বৃদ্ধি কৰাৰ উদ্দেশ্যে চাৰিদিনীয়া ভ্ৰমণসূচী লৈ জাপানলৈ ৰাওনা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে এই ভ্ৰমণসূচীৰ উদ্দেশ্য হৈছে দুয়োখন দেশৰ মাজৰ সৈন্যবাহিনীৰ মাজৰ সহযোগিতা শক্তশালী কৰা। শ্ৰীদ্বিৱেদীয়ে ইচিগায়াৰ জাপান প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ জ্যেষ্ঠ সেনা বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হ'ব। ভাৰতীয় সেনাবাহিনীৰ মুৰব্বীগৰাকীয়ে ইচিগায়াত প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ স্মাৰকতো শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব।

০০০

মুম্বাইৰ পৰা নিউয়ৰ্ক অভিমুখী এয়াৰ ইণ্ডিয়াৰ এখন বিমান আজি পুৱা বোমা বিস্ফোৰণৰ ভাবুকিৰ বাবে দিল্লীলৈ ঘূৰাই অনা হয়। পৰ্যবেক্ষণৰ অন্তত বিমানখনত থকা আটাইকেইগৰাকী যাত্ৰী নিৰাপদ আৰু সুকলমে থকা বুলি জানিব পৰা গৈছে।

আনহাতে, মুম্বাইৰ পৰা মাস্কটালৈ চলি থকা বিমান এখনেও বোমা বিস্ফোৰণৰ ভাবুকি লাভ কৰিছিল। নিয়ম অনুসৰি ততাতৈয়াকৈ বিমানখনক এটা বিচ্ছিন্ন উপসাগৰলৈ লৈ যোৱা হয় আৰু নিৰাপত্তা ব্যৱস্থা পৰীক্ষা কৰা হয়। মুম্বাইৰ পৰা জেদ্দালৈ গৈ থকা আন এখন বিমানেও এই ভাবুকিৰ সন্মুখীন হৈছিল। ইফালে মুম্বাই-হাওৰা অভিমুখী এখন ৰে'লকো টাইম বোমাৰে উৰুৱাই দিয়াৰ ভাবুকি দিয়া হৈছিল আৰু জালগাঁও ষ্টেচনত ৰে'লখন ৰখাই পৰীক্ষা কৰা হয়। ইয়াৰ পাছত ৰে'লখনত কোনো সন্দেহজনক সামগ্ৰী পোৱা নগ'ল বুলি জানিব পৰা গৈছে।

০০০

নৰৱেৰ নবেল সমিতিয়ে আজি সন্ধিয়া অৰ্থনীতিৰ নবেল বঁটা ঘোষণা কৰিব। ঋণ, চৰকাৰৰ ভূমিকা আৰু ধন অসমানতাৰ বিশেষজ্ঞ ব্যক্তিক এই পুৰস্কাৰৰ সম্ভৱপৰ দাবীদাৰ বুলি ভবা হৈছে। ভাৰতীয় সময় অনুসৰি আজি বিয়লি ৩ বাজি ১৫ মিনিটত এই বঁটা ঘোষণা কৰা হ'ব। যোৱা বছৰ আমেৰিকাৰ অৰ্থনীতিবিদ ক্ল'ভিয়া গল্ডিনে এই সন্মানীয় বঁটা লাভ কৰিছিল। ১৯৬৯ চনৰে পৰা ৯৩গৰাকী বিশেষজ্ঞই এই বঁটা লাভ কৰিছে যাৰ কেৱল মাত্ৰ ৩গৰাকীহে মহিলা। তেওঁলোক হ'ল এই বছৰ গল্ডিন, ২০০৯ চনত এলিনৰ অষ্ট্ৰম আৰু ২০১৯ চনত ফ্ৰান্স-আমেৰিকান অৰ্থনীতিবিদ এষ্ঠাৰ ডাফ্ল'ই এই বঁটা লাভ কৰে।

০০০

প্ৰধানমন্ত্ৰী ইণ্টাৰ্ণশ্বিপ আঁচনিৰ বাবে pminternship.mca.gov.in প'ৰ্টেল যোগে পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ২৫ অক্টোবৰত এই প্ৰক্ৰিয়াৰ সামৰণি পৰিব। ১৯৩টা কোম্পানীয়ে বৰ্তমানলৈকে প'ৰ্টেলটোৰ জৰিয়তে প্ৰায় ৯১ হাজাৰ ইণ্টাৰ্ণশ্বিপৰ সুযোগ আগবঢ়াইছে। চৰকাৰে ২০২৪-২৫ বিত্তীয় বৰ্ষত ১ লাখ ২৫ হাজাৰ ইণ্টাৰ্ণশ্বিপৰ সুযোগ প্ৰদান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই পৰীক্ষামূলক প্ৰকল্পৰ বাবে মুঠ ৮০০ কোটি টকা ব্যয় কৰা হ'ব। চৰকাৰে এই আঁচনিৰ অধীনত ৫ বছৰৰ বাবে ২১ৰ পৰা ২৪ বছৰ বয়সৰ ১ কোটি প্ৰাৰ্থীক এবছৰৰ ইণ্টাৰ্ণশ্বিপ প্ৰদানৰ লক্ষ্য ধাৰ্য কৰিছে। এই আঁচনিৰ অধীনৰ প্ৰাৰ্থীসকলে এবছৰৰ বাবে মাহে ৫ হাজাৰ টকা বিত্তীয় সাহায্য আৰু ছহেজাৰ টকাৰ এককালীন অনুদান লাভ কৰিব।

০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ন বজাত **গ্ৰাহক অধিকাৰ আৰু দায়িত্ব** সন্দৰ্ভত গ্ৰাহক পৰিক্ৰমা বিভাগৰ সচিব নিধি খাড়েৰ সৈতে হোৱা এলানি বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেৰছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০

কেৰালাত তামিল-মালায়লম চলচ্চিত্ৰ অভিনেতা বালাক আজি পুৱা কোচি চহৰ আৰক্ষীয়ে তেওঁৰ বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰিছে। প্ৰাক্তন পত্নীৰ এজাহাৰৰ ভিত্তিত অভিনেতাগৰাকীক গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁৰ প্ৰাক্তন পত্নী গায়িকা অমৃতা সুৰেশে সামাজিক মাধ্যমযোগে তেওঁক অপমান কৰা বুলি অভিযোগ উত্থাপন কৰি এজাহাৰ দাখিল কৰাৰ লগতে সামাজিক মাধ্যমৰ এই পোষ্টে তেওঁলোকৰ ১২ বছৰীয়া কন্যাক আৱেগিকভাৱে আঘাত কৰা বুলি দাবী কৰিছিল। আৰক্ষীয়ে বালাৰ বিৰুদ্ধে জুভেনাইল ন্যায় আইনৰ অধীনত আন এটা গোচৰো ৰুজু কৰিছে। আজি তেওঁক আদালতত হাজিৰ কৰোৱা হ'ব।

০০০

সমাপ্ত